

- দৰিদ্ৰ সীমাৰেখাৰ তলৰ ব্যক্তি হিচাপে বিনামূলীয়া আইনী সাহায্য লাভ কৰিবলৈ হ'লে, ইয়াৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব।
- আৰক্ষীয়ে আপোনাৰপৰা ধন দাবী কৰিলে তেওঁৰ বিৰুদ্ধে বিধি সেৱা প্ৰাধিকৰণৰ কাৰ্য্যালয়ত আপত্তি জনাব পাৰিব।
- **আদালতৰ দায়িত্ব**
- কোনো ব্যক্তিক যদি কম উপাৰ্জনৰ বাবে উকিল অবিহনে আদালতত হাজিৰ কৰোৱা হয়, তেনে ক্ষেত্ৰ ত মেজিষ্ট্ৰেটৰ দায়িত্ব হ'ল যে তেওঁক বিনামূলীয়া আইনী সাহায্য প্ৰদানৰ বিষয়ে অৱগত কৰোৱা।
- বিনামূলীয়া আইনী সাহায্য কেতিয়া লাভ নকৰে
- মানহানি তথা বিদ্বেষ সম্পৰ্কীয় ব্যক্তিৰ ক্ষেত্ৰ ত
- ন্যায়ালয়ৰ অৱমাননা কৰা তথা শপত ভংগ কৰা ক্ষেত্ৰত
- নিৰ্বাচন সম্বন্ধীয় বিষয়ত।
- ৫০ টকাতকৈ অধিক জৰিমনা ভৰিব লগা অপৰাধীৰ ক্ষেত্ৰ ত।
- আৰ্থিক অপৰাধ তথা সামাজিক অপৰাধৰ ক্ষেত্ৰত মোকৰ্দমা চলি থাকিলে বিনামূলীয়া আইনী সাহায্য লাভ কৰিব নোৱাৰে। অৱশ্যে জিলা বিধি সেৱা প্ৰাধিকৰণে এনে মোকৰ্দমাৰ ক্ষেত্ৰত বিনামূলীয়া আইনী সাহায্য প্ৰদান কৰিব পাৰে।
- ব্যৱসায় কৰা সম্বন্ধীয় ক্ষেত্ৰ ত ধন বা সম্পত্তি লাভ কৰাৰ বাবে যদি কোনো মোকৰ্দমান কৰা হয়, তেনে ক্ষেত্ৰ ত বিনামূলীয়া আইনী সাহায্য লাভ কৰিব নোৱাৰে।

**: এক আবেদন :**

***বিনামূলীয়া আইনী সাহায্যৰ বিষয়ে নিজৰ জ্ঞান বৃদ্ধি কৰক। ইয়াৰ বিষয়ে প্ৰতিবেশী প্ৰয়োজনীয় ব্যক্তিকে জনাওক। আপোনাৰ সহযোগত কোনো দুখীয়া মজদুৰ, মহিলা, শিশু, অনুসূচিত জাতি, জনজাতি বা কোনো বিপদত পৰা ব্যক্তিয়ে বিনামূলীয়া আইনী সাহায্য লাভৰ জৰিয়তে বিপদৰপৰা হাত সাৰিব পাৰিব।***

ভাৰত চৰকাৰ
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
(বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগ)
বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, নতুন দিল্লী-১১০০০১ ৰ সহযোগত
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত
website :: www.mhrd.gov.in,www.Mygov.in
website :: www.srcguwahati.in

সাক্ষৰ ভাৰত

আইনী সাক্ষৰতা শৃংখলা - ৬

# বিনামূলীয়া আইনী সাহায্য



# বিনামূলীয়া আইনী সাহায্য

ভাৰতীয় সংবিধানৰ ৩৯ নং অনুচ্ছেদ অনুসৰি সকলোৰে বাবে ন্যায় সুনিশ্চিত কৰা হৈছে। ইয়াৰ জৰিয়তে দুখীয়া আৰু দুৰ্বল লোকসকলৰ বাবে বিনামূলীয়া ন্যায় লাভৰ ব্যৱস্থা কৰা হৈছে। বিনামূলীয়াকৈ লাভ কৰিব পৰা সুবিধা সমূহ হ'ল :

## বিনামূলীয়া আইনী সাহায্য কি ?



- আদালতত দিব লগা মাচুল আৰু বিচাৰক/কেচত ভৰিব লগা অন্যান্য খৰচ
- বিচাৰ/কেছ দাখিল কৰিবলৈ আৰু ইয়াৰ বাবে হ'বলগা উকিলৰ খৰচ
- বিচাৰ/কেছৰ বাবে আদেশ আৰু আন প্ৰয়োজনীয় নথি পত্ৰৰ প্ৰতিলিপি লাভ কৰিবলৈ দিবলগীয়া খৰচ।
- বিচাৰ/কেছৰ বাবে আবেদন আৰু অন্যান্য নথিপত্ৰ অনুবাদ আৰু ছপোৱাৰ লগতে পেপাৰ বুক তৈয়াৰ কৰিবলৈ হোৱা যাৱতীয় খৰচ।

## বিনামূলীয়া আইনী সাহায্যৰ লাভালাভ কোনে ল'ব পাৰে ?



- মহিলা আৰু শিশুসকলে।
- অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলে
- মজদুৰসকলে
- ছহিদ সৈনিকৰ পৰিয়ালৰ লোকে



- জাতিগত হিংসা, বানপানী, খৰাং বতৰ, ভূমিকম্প আৰু উদ্যোগৰ ক্ষতিৰ ফল ভোগ কৰা কৰ্মীসকলে



- শাৰীৰিক আৰু মানসিক বিকলাংগসকলে।
- ভিক্ষাৰীসকলে
- আৰক্ষীৰ আটকাধীন লোকে



- এক লাখ টকাতকৈ কম উপাৰ্জন হোৱা লোকে
- অঘৰী বা অবৈধ মানৱ ব্যৱসায়ৰ ভুক্তভোগীসকলে
- দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলে

ইয়াৰ উপৰিও অতি গুৰুত্বপূৰ্ণ সৰ্বসাধাৰণ লোকসকল। এনে লোকসকলে বিনামূলীয়া আইনী সাহায্য লাভ কৰিব পাৰে।

## যোগাযোগ ক'ত কৰিব ?

- বিনামূলীয়া আইনী সাহায্য লাভ কৰিবলৈ প্ৰয়োজন অনুসৰি স্থানীয় আদালত, জিলা আদালত, উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ত যোগাযোগ কৰিব পাৰে।
- স্থানীয় সমস্যাৰ বাবে তহচিল ন্যায়ালয় বিধি সেৱা সাহায্যৰ অধ্যক্ষক আবেদন কৰিব লাগে।
- জিলা ন্যায়ালয় সম্পৰ্কত জিলা ন্যায়ালয় বিধি সেৱা সাহায্যৰ সচিবক আবেদন কৰিব লাগে।
- উচ্চ ন্যায়ালয় সম্পৰ্কীয় বিচাৰৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয় বিধি সেৱা সাহায্যৰ সচিবৰ ওচৰত আবেদন জনাব লাগে।
- উচ্চতম ন্যায়ালয় সম্পৰ্কীয় বিচাৰ উচ্চতম ন্যায়ালয় বিধি সেৱা সাহায্যৰ সচিবক আবেদন জনাব লাগে।



- এগৰাকী মেজিষ্ট্ৰেট/বিচাৰপতিৰ সন্মুখত আপোনাক উপস্থিত কৰোৱাৰ সময়ত তেওঁক বিনামূলীয়া আইনী সাহয্য লাভ কৰা কথা জনাব লাগে।

## কি কৰা উচিত ?

- উল্লেখ কৰা সম্বন্ধীয় ব্যক্তিসকলক লিখিত আবেদন জনাব লাগে।
- কোনো ব্যক্তিয়ে লিখা পঢ়া নাজানিলে তেওঁৰ মুখৰ কথাখিনি শুনি বিধি সেৱা সাহায্যৰ দায়িত্বত থকা ব্যক্তিগৰাকীয়ে এই আবেদন লিখি দিব লাগে।